**বিজ্ঞাপন নং- ০৯/২০১৫**

# অসম লোকসেৱা আয়োগ

****

নং ৩২ লোঃসেঃআঃ/স্থাপন-১৪/২০০৯-২০১০ দিনাংক-গুৱাহাটী ৬ মে, ২০১৫

## বিজ্ঞাপন

অসম লোক সেৱা আয়োগে আয়োগৰ কাৰ্য্যালয়ত নিযুক্তিৰ বাবে কনিষ্ঠ প্ৰশাসনিক (৩য় শ্ৰেণী আমোলা সংবৰ্গ) পদৰ বাবে অসমত স্থায়ীভাবে বসতি কৰা প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। উক্ত পদৰ বাবে পাবলগীয়া দৰমহা তথা অন্যান্য বানচ সমূহ তলত দেখুৱা ধৰণে অসম চৰকাৰৰ যাৱতীয় বিধি অনুযায়ী দিয়া হব।

(ক) পদৰ নাম :- **কনিষ্ঠ প্ৰশাসনিক সহায়ক।**

(খ) পদৰ সংখ্যা :- ১৪ (চৈধ্য)

| সাধাৰণ শ্ৰেণী | | অন্যান্য পিছপৰা শ্ৰেণী | | ভৈয়াম জনজাতি | | পাহাৰীয়া জনজাতি | | অনুসুচিত জাতি | | সৰ্বমুঠ | | শাৰীৰিক ভাবে অক্ষমৰ বাবে সংৰক্ষিত |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত | মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত | মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত | মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত | মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত | মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত | |
| ৭ | ২ | ৬ | ২ | - | - | - | - | ১ | - | ১৪ | ৪ | - |

১) **দৰমহাৰ নিৰিখ** :- ৫২০০/- টকাৰ পৰা ২০২০০/- টকা লগতে ৩০০০/- গ্ৰেড পে আৰু বিধি অনুযায়ী পাব লগীয়া অন্যান্য বানচ সমূহ।

২) **বয়স** :- ০১-০১-২০১৫ ইং চনত ১৮ বছৰৰ তলত বা ৩৮ বছৰৰ উৰ্দ্ধত হব নোৱাৰিব। অৱশ্যে অনুসুচীত জাতি/জনজাতিৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত চৰকাৰী অধিসুচনা বা নীতি অনুযায়ী বয়সৰ উৰ্দ্ধসীমা ৫ বছৰ ৰেহাই দিয়া হব।

৩) **শিক্ষাগত অৰ্হতা** :- প্ৰাৰ্থী কলা, বানিজ্য অথবা বিজ্ঞান শাখাত কেন্দ্ৰীয় চৰকাৰ নাইবা কোনো ৰাজ্যিক চৰকাৰৰ দ্বাৰা প্ৰণীত আইনৰ অধীনত গঠিত বিশ্ববিদ্যালয় তথা সংসদৰ (Parliament) দ্বাৰা প্ৰণীত আইনৰ অধীনত অন্যান্য শিক্ষানুস্থান নাইবা গণ্য Deemed বিশ্ববিদ্যালয় হিচাবে ঘোষিত আৰু বিশ্ববিদ্যালয় অনুদান আয়োগ আইন ১৯৫৬ ধাৰা ৩ মতে গঠিত বিশ্ববিদ্যালয়ৰ পৰা স্নাতক মহলা উত্তীৰ্ণ হব লাগিব। সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থী ৪৫% শতাংশ নম্বৰ আৰু অনুসুচিত জাতি/জনজাতিৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত ৪০% শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হব লাগিব।

৪) **অন্যান্য অৰ্হতা** :-

(ক) প্ৰাৰ্থীৰ নিশ্চিত ভাবে MS-Word, MS-Excel, MS-PowerPoint আৰু MS-Access ত জ্ঞান থকা হব লাগিব। তদুপৰি প্ৰাৰ্থীয়ে স্বকীয় ভাবে ইন্টাৰনেট ব্যৱহাৰ কৰিব পাৰিব লাগিব।

(খ) কমপিউটাৰৰ অভিজ্ঞতা সন্দৰ্ভত লিখিত আৰু ব্যাৱহাৰিক পৰীক্ষা লোৱা হব।

৫) **আৱশ্যকীয়** :- অসম চৰকাৰৰ কাৰ্য্যালয় ভাষা আইন ১৯৬০ ৰ অধীনত প্ৰাৰ্থীৰ কাৰ্য্যালয়ৰ ভাষাৰ ওপৰত প্ৰাথমিক জ্ঞান থকাৰ আৱশ্যক যিহেতু আয়োগৰ বিভিন্ন কাম কাজত চৰকাৰী ভাষাও ব্যৱহাৰ কৰা হয়।

**পৰীক্ষাৰ স্তৰ** :- পৰীক্ষা মুঠ ৪ টা পৰ্য্যায়ত হব।

১) **প্ৰাৰম্ভিক বাচনি পৰীক্ষা**:- প্ৰাৰম্ভিক পৰীক্ষাৰ প্ৰশ্ন সমূহ বহুসমাধান বিশিষ্ট বস্তুনিষ্ঠ হব আৰু উত্তৰ লিখাৰ বাবে OMR (Optical Mark Recognition) উত্তৰ পত্ৰ যোগান ধৰা হব।

প্ৰাৰম্ভিক পৰীক্ষাত সাধাৰণ জ্ঞান আৰু সাধাৰণ ইংৰাজী বিষয়ত স্নাতক পৰ্য্যায়ৰ মুঠ ১০০ নম্বৰৰ এখন প্ৰশ্নকাকত থাকিব। প্ৰতিটো প্ৰশ্নৰ বাবে ১ নম্বৰকৈ মূল্যাংক থাকিব। পৰীক্ষাৰ সময় ২ ঘন্টা। প্ৰাৰম্ভিক পৰীক্ষাৰ পাঠ্যসুচী আয়োগৰ ৱেবচাইত www.apsc.nic.in ত উপলব্ধ হব।

মুঠ পদৰ ২০ বা ২১ গুন প্ৰাৰ্থী প্ৰাৰম্ভিক পৰীক্ষাৰ পৰা মুল পৰীক্ষালৈ নিৰ্বাচন কৰা হব। একেধৰণে মুঠ পদৰ ৪ গুণ প্ৰাৰ্থীক কমপিউটাৰৰ ব্যৱহাৰিক পৰীক্ষা আৰু মৌখিক সাক্ষাৎকাৰৰ বাবে নিৰ্বাচন কৰা হব।

প্ৰাৰম্ভিক পৰীক্ষা গুৱাহাটীত অনুষ্ঠিত কৰা হব। অৱশ্যে যদিহে প্ৰাৰ্থীৰ সংখ্যা বেছি হয় তেতিয়া আয়োগে নিম্নলিখিত স্থানত পৰীক্ষা অনুষ্ঠিত কৰিব।

(ক) **গুৱাহাটী**:- ধুবুৰী, কোকৰাঝাৰ, চিৰাং, বঙাইগাওঁ, গোৱালপাৰা, কামৰূপ (গ্ৰাম্য), কামৰূপ (মহানগৰ), নলবাৰী, বাকচা, বৰপেটা, মঙ্গলদৈ, ওদালগুৰি, শোণিতপুৰ, লক্ষিমপুৰ, ধেমাজী, শিলচৰ, কৰিমগঞ্জ, হাইলাকান্দি, ডিমা হাচাওঁ আৰু মৰিগাওঁ জিলাৰ প্ৰাৰ্থীৰ বাবে।

(খ) **যোৰহাট**:-তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, নগাওঁ আৰু কাৰ্বি আংলং জিলাৰ প্ৰাৰ্থীৰ বাবে।

২) **লিখিত পৰীক্ষা**:- লিখিত পৰীক্ষা মাত্ৰ গুৱাহাটীতে অনুস্থিত হব. এই পৰীক্ষা পৰম্পৰাগত বৰ্ণনামূলক হব। তলত দেখুৱা ধৰণে প্ৰশ্ন কাকত সমূহ তৈয়াৰ কৰা হব। সবিশেষ তলত দেখুৱা হল।

| ক্ৰ.নং | বিষয় | পৰীক্ষাৰ ধৰণ | নম্বৰ | সময় |
|---|---|---|---|---|
| (১) | সাধাৰণ ইংৰাজী, সাধাৰণ জ্ঞান আৰু হাইস্কুল শিক্ষান্ত পৰ্য্যায়ৰ সাংখিক ধাৰণা | পৰম্পৰাগত বৰ্ণনামূলক | ১০০ | ৩ ঘন্টা |
| (২) | সাৰাংশ লিখা আৰু খচৰা প্ৰস্তুত কৰা (ইংৰাজী বা অসমীয়াত) | ঐ | ১০০ | ৩ ঘন্টা |
| (৩) | সাধাৰণ অসমীয়া/ঐচ্ছিক ইংৰাজী | ঐ | ৫০ | ২ ঘন্টা |
| (৪) | কমপিউটাৰৰ প্ৰাথমিক জ্ঞান | বস্তুনিষ্ঠ বহু সমাধান বিশিষ্ট | ৫০ | ১ ঘন্টা ৩০ মিনিট |
| (৫) | ব্যৱহাৰিক কমপিউটাৰ | | ৫০ | ২ ঘন্টা |
| মুঠ | | | ৩৫০ | |
| মৌখিক সাক্ষাৎকাৰ | | | ৫০ | |
| সৰ্বমুঠ | | | ৪০০ | |

যথাসময়ত পৰীক্ষাৰ পাঠ্যসূচী আয়োগৰ ওৱেবচাইটত প্ৰাপ্ত হব।

৩) **কমপিউটাৰৰ ব্যাৱহাৰিক পৰীক্ষাঃ-**

কমপিউটাৰৰ ব্যাৱহাৰিক পৰীক্ষা মাত্ৰ গুৱাহাটীত অনুষ্ঠিত হব।

৪) **মৌখিক পৰীক্ষাঃ-**

মৌখিক পৰীক্ষা খানাপাৰাস্থিত আয়োগৰ কাৰ্য্যালয়ত অনুষ্ঠিত হব।

৫) **পৰীক্ষা মাচুলঃ-**

(ক) আবেদন মাচুল - নাই

(খ) প্ৰাৰম্ভিক বাচনি পৰীক্ষাৰ বাবে পৰীক্ষা মাচুল ৫০/- টকা অনুসুচীত জাতি, অনুসুচীত জনজাতি ভৈয়াম আৰু অনুসুচীত জনজাতি পাৰ্বত্যৰ বাবে। অন্যান্য প্ৰাৰ্থীৰ বাবে পৰীক্ষা মাচুল ১০০/-টকা। পৰীক্ষা মাচুল কেৱল ভাৰতীয় ষ্টেট বেংকত e-challan যোগে জমা দিব লাগিব।

(গ) ভাৰতীয় ষ্টেট বেংকৰ দ্বাৰা উৎপাদিত জাৰ্নেল নম্বৰটো আয়োগৰ অনলাইন প্ৰ-পত্ৰত আপলোড কৰিব লাগিব।

(ঘ) পৰীক্ষাৰ মাচুল ঘূৰাই দিয়া নহব।

(ঙ) মূল পৰীক্ষাৰ মাচুল উপযুক্ত সময়ত ঘোষণা কৰা হব।

৫) **আবেদন কৰাৰ পদ্ধতিঃ-**

প্ৰাৰম্ভিক পৰীক্ষাৰ বাবে প্ৰাৰ্থীসকলে কেৱল অনলাইন (Online Mode) আবেদন কৰিব পাৰিব। অন্য কোনো ধৰণৰ আবেদন গ্ৰহণ কৰা নহব।

**(ক)** অনলাইন প্ৰ-পত্ৰ পুৰণৰ বাবে যাৱতীয় দিহা পৰামৰ্শ আয়োগৰ ৱেবচাইত www.apsc.nic.in ত উপলব্ধ হব। প্ৰাৰ্থী সকলক উক্ত পৰামৰ্শ সমূহ সতৰ্কতাৰে পঢ়ি চাই প্ৰ-পত্ৰ পুৰণ কৰিবলৈ কোৱা হল।

**(খ)** প্ৰাৰ্থীসকলে কোনো ধৰণৰ নথি যেনে অনলাইন আবেদন প্ৰ-পত্ৰ, পঞ্জীয়ন পত্ৰ, বেংক চালান, জাৰ্নেল নম্বৰ, ভৰ্তিকৰণৰ নথি, কনফাৰ্মেচন শ্লিপ ইত্যাদি আয়োগৰ কাৰ্য্যালয়লৈ পঠাব নালাগে।

**(গ)** প্ৰাৰম্ভিক পৰীক্ষাৰ বাবে কোনোধৰণৰ নথি-পত্ৰ আবেদনৰ লগত দিব নালাগে। প্ৰাৰ্থীসকলে নিজে দিয়া বিৱৰণৰ ওপৰত নিজে দায়বদ্ধ থাকিব। তেনে কোনো মিছা তথ্য দাখিল কৰা প্ৰাৰ্থীৰ প্ৰাৰ্থীত্ব নাকচ কৰাৰ লগতে অন্যান্য আইনী ব্যৱস্থাওঁ গ্ৰহণ কৰাৰ স্থল থাকিব।

**(ঘ)** আবেদন পত্ৰ কেৱল অনলাইন যোগেহে দাখিল হোৱা বাবে যি সকল প্ৰাৰ্থীয়ে ইতিমধ্যে কোনো চাকৰিত নিয়োজিত হৈ আছে তেওঁলোকে সংশ্লিষ্ট কৰ্তৃপক্ষৰ জৰিয়তে আবেদন প্ৰেৰণ কৰাৰ অৱকাশ নেথাকে। গতিকে তেনে প্ৰাৰ্থীসকলে সংশ্লিষ্ট কৰ্তৃপক্ষক লিখিত ভাবে জনাব লাগিব।

**(ঙ)** ইতিমধ্যে কোনো সেৱাত নিয়োজিত হৈ থকা প্ৰাৰ্থী সকলক জনোৱা যায় যে সংযুক্ত প্ৰতিযোগীতামূলক পৰীক্ষা (প্ৰাৰম্ভিক আৰু মূল)ত অৱতীৰ্ণ হোৱাৰ বাবে আৰু পৰীক্ষাত কৃতকাৰ্য্য হলে প্ৰাৰ্থীয়ে চাকৰিত যোগদান কৰাৰ ক্ষেত্ৰত অনুমতি প্ৰদান কৰাৰ কৰ্তৃত্ব কেৱল প্ৰাৰ্থীজনে কাম কৰি থকা বিভাগ তথা প্ৰতিষ্ঠানৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰহে আছে। তেনে কৰ্তৃপক্ষৰ সন্মতি আদায় কৰাৰ দায়িত্ব প্ৰাৰ্থীৰ নিজা, এই ক্ষেত্ৰত আয়োগৰ কোনো দায়বদ্ধতা নাথাকিব।

**(চ)** প্ৰ-পত্ৰ সমূহ অনলাইন যোগে কেৱল ২০১৫ চনৰ ৭ মে তাৰিখৰ নিশা ১২.০০ বজাৰ পৰা ২০১৫ চনৰ ৩১ মে তাৰিখৰ নিশা ১২.০০ বজালৈ পূৰণ কৰিব পাৰিব। উক্ত সময় উকলি যোৱাৰ পিছত অনলাইন যোগাযোগ বিচ্ছিন্ন কৰা হব যাৰ বাবে কোনো প্ৰ-পত্ৰ পূৰণ কৰা সম্ভৱ নহব।

**(ছ)** মুল পৰীক্ষাৰ বাবে উত্তীৰ্ণ হোৱা প্ৰাৰ্থী সকলে অন্য এখন প্ৰ-পত্ৰ আৱশ্যকীয় নথি পত্ৰসহ পূৰণ কৰি আবেদন কৰিব। এই ক্ষেত্ৰত প্ৰাৰম্ভিক পৰীক্ষাত কোনো ভূল নাইবা বিভ্ৰান্তিমুলক ভুৱা নথি পত্ৰ দি আবেদন কৰাৰ প্ৰমাণ পালে প্ৰাৰ্থীগৰাকী মুল পৰীক্ষাত বহাৰ অধিকাৰৰ পৰা বঞ্চিত হব পাৰে। এই ক্ষেত্ৰত বিধি সন্মত ব্যৱস্থাও গ্ৰহণ কৰা হব পাৰে।

**টোকা:-** প্ৰাৰ্থীসকলক মাত্ৰ এখনহে প্ৰ-পত্ৰ পূৰণ কৰিবলৈ কোৱা হল ; কিন্তু যদি অনিবাৰ্য প্ৰয়োজন যে তেওঁৰ আবেদন পত্ৰ সমূহৰ সৰ্ব্বোচ্চ পঞ্জীয়ন নম্বৰৰ (একেবাৰে শেষত পূৰণ কৰা) প্ৰ-পত্ৰখনহে গ্ৰাহ্য কৰা হব। প্ৰতিখন প্ৰ-পত্ৰৰ বাবে পৰীক্ষাৰ মাচুল পৃথৰ্কৈ জমা দিব লাগিব।

সচিৱ<br>
অসম লোকসেৱা আয়োগ<br>
জৱাহৰনগৰ, খানাপাৰা, গুৱাহাটী-২২